ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ

মহাৰজত জয়ন্তীৰ মুকলি সভা উপলক্ষ্যে

# অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ আদৰণী ভাষণ

দিনাংক ঃ ১৬ অক্টোবৰ, ২০২২

**'ন চৌৰহাৰ্য্যম্ ন চ ৰাজহাৰ্য্যম্।**
**ন ভ্ৰাত্ৰভাজ্যম্ ন চ ভাৰকাৰী।।**
**ব্যয়ে কৃতে বৰ্ধতে নিত্যং।**
**বিদ্যাধনং সৰ্বধনপ্ৰধানম্।'**

এই সংসাৰত ধন কেইবা প্ৰকাৰৰো আছে। কিন্তু সকলো ধনৰ ভিতৰত শ্ৰেষ্ঠ ধন হৈছে বিদ্যাধন। কাৰণ, অন্য ধনৰ বিনাশ আছে, ক্ষয় আছে, কিন্তু বিদ্যাধন অবিনাশী। যাক ৰজাই কাঢ়িব নোৱাৰে, চোৰ-ডকাইতেও নিব নোৱাৰে আৰু ভাই-ককাইৰ মাজতো ভগাব নোৱাৰি। ইয়াৰ ভাৰ ব'ব লগা নহয় আৰু আচৰিত কথাটো এইটোৱেই যে এই বিদ্যাধন খৰচ কৰিলে বাঢ়েহে, কেতিয়াও নুটুটে। সেয়েহে ইয়াক পৃথিৱীৰ শ্ৰেষ্ঠ ধন বোলা হয়। আমাৰ দেশৰ প্ৰাচীন ঋষি-মুনিসকলে বিদ্যাধনৰ শ্ৰেষ্ঠত্বক লৈ বহু সময়ত বহু ব্যাখ্যা আগ বঢ়াইছে। ৰামায়ণ-মহাভাৰতৰ দৰে মহাকাব্যসমূহৰ উপৰি বিভিন্ন বেদ-উপনিষদতো এই শ্ৰেষ্ঠ ধনৰ কথা উল্লেখ আছে। ভৰ্ত্তৃহৰিৰ দৰে মহান প্ৰাচীন কবিসকলে বৰ সুন্দৰকৈ বিদ্যাৰ মহত্ত্ব আৰু গুৰুত্বৰ বিশ্লেষণ আগ বঢ়াইছে। ভৰ্ত্তৃহৰিয়ে 'নীতিশতক'ত বিদ্যাই যে মানুহক বিনয়ী কৰে, তাৰ পৰা ক্ৰমশঃ মানুহে যে ধন অৰ্জন কৰে তাক বৰ্ণনা কৰিছে। তেওঁ বিদ্যাক লৈ কৰা এটি অতি বাস্তৱিক আৰু সুন্দৰ মন্তব্য হ'ল— 'ৰজা নিজৰ দেশতহে পূজিত হয়, কিন্তু বিদ্বানজন সৰ্বত্ৰ পূজিত হয়— স্বদেশে পূজ্যতে ৰাজা বিদ্বান্ সৰ্বত্ৰ পূজ্যতে।' এনে চিন্তা সৰোগত কৰিয়ে হয়তো কেইজনমান জ্ঞানপিপাসু, শিক্ষাসদী ব্যক্তিয়ে অতি আন্তৰিকতাৰে এই মহাবিদ্যালয়খন গঢ়ি তুলিছিল। শ্ৰদ্ধাৰ ৰাইজ, এইখিনি কথাৰেই মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাৰ আদৰণী ভাষণ আৰম্ভ কৰিব বিচাৰিছোঁ।

শ্ৰদ্ধাৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা আজিৰ এই সামৰণী অনুষ্ঠানৰ মুকলি সভাৰ সভাপতিত্ব কৰা শ্ৰীযুত ঋতুপৰ্ণ বৰুৱাদেৱ, পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত অভিমন্যু বৰুৱাদেৱ, আজিৰ মুকলি সভাৰ মুখ্য অতিথি অসম চৰকাৰৰ মুখ্যমন্ত্ৰী সন্মানীয় ড° হিমন্ত বিশ্ব শৰ্মাদেৱ, সন্মানীয় অতিথি হিচাপে উপস্থিত থকা ভাৰত চৰকাৰৰ প্ৰেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিযুক্তি বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী সন্মানীয় শ্ৰীযুত ৰামেশ্বৰ তেলীদেৱ, অসম চৰকাৰৰ শিক্ষামন্ত্ৰী সন্মানীয় ডাঃ ৰনোজ পেগুদেৱ, ডিব্ৰুগড় বিধান সভা সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰশান্ত ফুকনদেৱ, বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অসম চৰকাৰৰ শিক্ষা উপদেষ্টা সন্মানীয় ড° ননীগোপাল মহন্তদেৱকে প্ৰমুখ্য কৰি ডিব্ৰুগড়ৰ বিভিন্ন বিধান সভা সমষ্টিৰ সন্মানীয় বিধায়কসকল, ডিব্ৰুগড়ৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকল আৰু ডিব্ৰুগড় চহৰৰ অন্যান্য গণ্য-মান্য ব্যক্তিসকলৰ লগতে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল— জয়জয়তে আপোনালোক সকলোকে পৱিত্ৰ এই জ্ঞান মন্দিৰলৈ স্বাগতম জনাইছোঁ।

১৯৪৫ চনৰ ১৫ জুনত ডিব্ৰুগড় মহাবিদ্যালয় নামেৰে প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে ১৯৫০ চনৰ ২৫ জুলাই তাৰিখৰ পৰা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (চমুকৈ কানৈ মহাবিদ্যালয়) নামেৰে জনাজাত হয়। বয়সৰ লেখেৰে মহাবিদ্যালয়খনে ৭৭ বছৰ অতিক্ৰম কৰিলে। সমগ্ৰ বিশ্বত ক'ৰ'না অতিমাৰীয়ে মানৱ সমাজলৈ নমাই অনা সংকটৰ বাবে ৭৫ বছৰ সম্পূৰ্ণ হোৱা সময়ত মহাৰজত জয়ন্তী উদ্‌যাপনৰ পূৰ্ণ প্ৰস্তুতি চলায়ো মহাবিদ্যালয়খনে মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰিব নোৱাৰিলে। পলমকৈ হ'লেও তাৰ দুবছৰৰ পাছত মহাৰজত জয়ন্তী উদ্‌যাপনৰ দিহা কৰা হ'ল। এই ক্ষেত্ৰত অনেক ভুল-ত্ৰুটি ৰৈ যাব পাৰে। ইয়াৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনালোঁ।

কানৈ মহাবিদ্যালয়ে ৭৭ বছৰ অতিক্ৰম কৰা এই সন্ধিক্ষণত মহাবিদ্যালয়খনৰ স্বপ্নদ্ৰষ্টা অশ্বিনী চৰণ চৌধুৰী, প্ৰাণ প্ৰতিষ্ঠাতা তথা প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু, কৰ্মযোগী ড° লক্ষ্মী প্ৰসাদ দত্ত, প্ৰমুখ্যে প্ৰতিষ্ঠালগ্নৰ অধ্যাপক-

অধ্যাপিকা, কৰ্মচাৰীসকল আৰু পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে নিৰন্তৰে সেৱা আগবঢ়াই যোৱা অধ্যক্ষ, উপাধ্যক্ষ প্ৰমুখ্যে সকলো অধ্যাপক-অধ্যাপিকাৰ তেওঁলোকৰ কৰ্মৰ বৰঙণি এই মুহূৰ্তত স্মৰণ কৰিছোঁ। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে সেই মহান ব্যক্তিসকল আগবাঢ়ি নহাহ'লে হয়তো আজি আমি সকলোৱেই একেলগে এই মুহূৰ্ত উপভোগ কৰিবলৈ সুবিধা নাপালোহেঁতেন। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ সময়ত নিশ্চিতভাৱে সেইসকল বৰেণ্য ব্যক্তিয়ে এক সপোন দেখিছিল আৰু সেই সপোন আছিল ডিব্ৰুগড়ত এখন মহাবিদ্যালয় হ'ব আৰু এই মহাবিদ্যালয়খনে উচ্চ শিক্ষাৰ বাট মুকলি কৰিব। সেইসকলৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ আমাৰ মহাবিদ্যালয় পৰিয়ালে প্ৰতিনিয়ত প্ৰচেষ্টা অব্যাহত ৰাখিছে। এখন মহাবিদ্যালয় কেতিয়াও বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ মাজতে শিক্ষা প্ৰদান কৰাতে সীমাবদ্ধ হৈ থাকিলে নহ'ব। মহাবিদ্যালয়খনে সমাজক সঠিক বাট দেখুৱাব লাগিব, মহাবিদালয়খনে সমাজৰ প্ৰতিটো দিশৰ দুৰ্বলতাসমূহ আঁতৰাবলৈ চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰতআমাৰ মহাবিদ্যালয়ে কোনো দিনেই পিছ হোঁহকা নাই। মনত পৰিছে আজিৰ এই মুকলি সভাৰ মুখ্য অতিথি, বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী, নিজা কৰ্মদক্ষতা, চিন্তা আৰু নিজা দৰ্শনেৰে সমগ্ৰ ভাৰতবৰ্ষৰ মাজত জনপ্ৰিয়তা আৰ্জিবলৈ সক্ষম হোৱা ড° হিমন্ত বিশ্ব শৰ্মাই কোৱা কিছু কথা। তেখেতে বাৰে বাৰে অসমৰ ৰাইজক দোহাৰি আহিছে যে একবিংশ শতিকাতো বহুমুখী জ্ঞান আহৰণৰ যুগ। সেয়ে বহুমুখী আৰু প্ৰযুক্তি শিক্ষাত সকলো বিশ্ববিদ্যালয়, মহাবিদ্যালয়ে গুৰুত্ব দিয়া উচিত। সকলোৱে শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰীগৰাকীৰ সপোনক সাকাৰ ৰূপ দিবলৈ বহুমুখী জ্ঞান আৰু শিক্ষা প্ৰদানত কাৰ্নৈ মহবিদ্যালয়ে নিৰন্তৰে কাম কৰি আহিছে। কেৱল বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ মাজত ছাত্ৰ-ছাত্ৰীসকলক সীমাবদ্ধ কৰি ৰাখিব খোজা নাই। ইয়াৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীসকল বিশ্বৰ বিভিন্ন প্ৰান্তত ক্ৰীড়া, শিক্ষা, বিজ্ঞান, বোলছবি, সাহিত্য ইত্যাদিত মহাবিদ্যালয়খনে স্ব-প্ৰতিভাৰে উজ্জীৱিত হৈছে। মহাবিদ্যালয়খনত ক্ৰমে ইংৰাজী, পদাৰ্থ বিজ্ঞান, অসমীয়া, গণিত, নৃতত্ত্ব, জীৱবিজ্ঞান আদি বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে কম্পিউটাৰ বিজ্ঞান বিভাগত বি চি এ আদি অতিৰিক্ত বিষয় মুকলি কৰি ছাত্ৰ-ছাত্ৰীক জ্ঞান আৰু শিক্ষাৰ বাট দেখুৱাবলৈ চেষ্টা কৰা হৈছে। তেনেদৰে দেশৰ মাননীয় প্ৰধানমন্ত্ৰীৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক পুৱাই হাতত ঝাডু ধৰি স্বচ্ছতাৰ দিশতো তেওঁলোকৰ কৰ্ম, চিন্তা দেশৰ লগতে বিদেশতো জিলিকাই তুলিবলৈ চেষ্টা অব্যাহত ৰখা হৈছে। স্ব-নিৰ্ভৰশীলতা সম্পৰ্কে অনুভৱ কৰিবলৈ মহাবিদ্যালয় চৌহদত হাঁহ উৎপাদন, মৎস্যপালন আদিৰ ব্যৱস্থা কৰা হৈছে। নিয়মীয়া পাঠ্যক্ৰমৰ উপৰি বক্তৃতা, কৰ্মশালা, আলোচনা চক্ৰ, প্ৰদৰ্শনী, ক্ষেত্ৰ অধ্যয়ন আদিৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক সমসাময়িক কৰ্মমুখী শিক্ষা আৰু জ্ঞান প্ৰদানৰ চেষ্টা অব্যাহত ৰখা হৈছে। ইতিমধ্যে এই মহাবিদ্যালয়ৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম আৰ্জিবলৈ সক্ষম হৈছে।

বিগত সময়ছোৱাত মহাবিদ্যালয়খনে বিভিন্ন সীমাবদ্ধতা, সমস্যাৰ মাজতো জ্ঞান আৰু শিক্ষা প্ৰদানৰ অৱহেলা কৰা নাই। ২০১৫ চনৰ পৰা অধ্যক্ষ হিচাপে আমি যোগদান কৰাৰ পিছৰে পৰা মহাবিদ্যালয়খনত আন্তঃগাঁঠনি, শৈক্ষিক, ক্ৰীড়া, প্ৰযুক্তি, পৰিবেশ সুৰক্ষা আদি কৰ্মত নিৰন্তৰে কাম কৰি অহা হৈছে। ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ চাহিদা পূৰণ কৰিবলৈ ছটাকৈ বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰা হৈছে। অনেক সীমাবদ্ধতাৰ মাজতো মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী সকলোৱে ইতিবাচক মন এটা লৈ মহাবিদ্যালয়খনৰ উত্তৰণৰ কাৰণে নিৰন্তৰে কাম কৰি আছে। কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত কৰাৰ বাবেও পৰিচালনা সমিতি, ছাত্ৰ একতা সভা, কৰ্মচাৰী পৰিষদ, শিক্ষক গোট আদিয়ে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে। মহাবিদ্যালয়খনত কিছু কাম কৰা হৈছে যদিও এখন উৎকৃষ্ট, উন্নত মানৰ খেলপথাৰৰ অভাৱ অনুভৱ কৰিছে মহাবিদ্যালয় পৰিয়ালে। একেদৰে এটা উন্নত মানৰ প্ৰযুক্তিসম্পন্ন প্ৰেক্ষাগৃহৰ অভাৱো বাৰুকৈয়ে অনুভৱ কৰা হৈছে। এটা 'ইনড'ৰ ষ্টেডিয়াম'ৰ অভাৱত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ কৰাত হেঙাৰ সৃষ্টি হোৱা বুলিও ক'ব পাৰি। এটা নতুন ছাত্ৰাৱাস, ছাত্ৰীনিৱাস আৰু এটা আই চি টি ভৱন, প্ৰশাসনীয় ভৱন আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাৰ অভাৱ দীৰ্ঘদিন ধৰি মহাবিদ্যালয় পৰিয়ালে অনুভৱ কৰি আহিছো। ১৯৫৭ চনতে নিৰ্মাণ কৰা মহাবিদ্যালয়ৰ ঐতিহ্যপূৰ্ণ ভৱনটোও পুনৰ মেৰামতিৰ প্ৰয়োজন হৈছে। এইখিনি সম্পূৰ্ণ কৰিবলৈ বাৰুকৈয়ে পুঁজিৰ অভাৱ হৈছে। আজি উপস্থিত থকা মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয় সন্দৰ্ভত কিছু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিলে কানৈ মহাবিদ্যালয় পৰিয়াল চিৰদিন চিৰকৃতজ্ঞ হৈ থাকিব। এনে বহু সমস্যাৰ মাজতো বিশ্বৰ মানুহৰ উত্তৰণৰ প্ৰতিটো খোজৰ সৈতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ আপ্ৰাণ চেষ্টা চলোৱা হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সন্মানীয় সদস্য-সদস্যাসকল, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাক কৃতজ্ঞতা জনাবই লাগিব। আজিৰ এই মহান, পৱিত্ৰ দিনটোত আপোনালোক সকলোকে এনেদৰে পাই ধন্য হৈছোঁ, কৃতজ্ঞ হৈছোঁ। আজিৰ এই মুকলি সভালৈ আহি আপোনালোকে এই জ্ঞান মন্দিৰক জিলিকাই তুলিলে, কানৈ মহাবিদ্যালয় পৰিয়ালক মানুহ, সমাজ আৰু দেশৰ বাবে কাম কৰি যাবলৈ শক্তি যোগালে। সেয়ে আপোনালোক সকলোকে কৰযোৰে আদৰণি জনাইছোঁ, স্বাগতম জনাইছোঁ। এইখিনিকে কৈ মোৰ আদৰণী ভাষণ ইমানতে সামৰিছোঁ। ধন্যবাদ।

******